জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৬৮/২০২১**

# শিৱসাগৰৰ চ্যু-কা-ফা হাস্পতালৰ মাল্টি চাৰ্জাৰী মাইক্ৰ'স্ক'পৰ সেৱা জনসাধাৰণলৈ উৎসৰ্গা কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ২৯ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালেআজি শিৱসাগৰ জিলাৰ ডিমৌস্থিত চ্যু-কা-ফা হাস্পতালত সংযোজিত মাল্টি চাৰ্জাৰী মাইক্ৰস্ক'পৰ সেৱা জনসাধাৰণৰ বাবে উৎসৰ্গিত কৰে।

এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি জনসাধাৰণক উৎকৃষ্ট সেৱা আগবঢ়োৱাৰ বাবে মাক্ৰ'স্ক'প যন্ত্ৰটি এই হাস্পতালত স্থাপন কৰাৰ বাবে হাস্পতাল কৰ্তৃপক্ষক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ লগতে এই হাস্পতালখনক দক্ষিণ-পূব এছিয়াৰ এখন উৎকৃষ্ট চিকিৎসালয় হিচাপে পৰিগণিত কৰাৰ বাবে প্ৰয়াস চলাবলৈও আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে লগতে চিকিৎসালৰ চৌপাশে এক সেউজ বাতাৱৰণ গঢ়াৰ বাবে আহ্বান জনায়। স্বৰ্গদেও চ্যু-কা-ফাৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি তেওঁ কয় যে চ্যু-কা-ফাই অসমলৈ আহি ৬০০ বছৰ ৰাজত্ব কৰি সমন্বয় আৰু ভাতৃত্ববোধৰ বান্ধোন কটকটীয়া কৰিছিল। মুখ্যমন্ত্ৰীয়ে হাস্পতালখনত চ্যু-কা-ফাৰ এটা পূৰ্ণাৱয়ব প্ৰতিমূৰ্তি স্থাপন কৰিবলৈ হাস্পতালক কৰ্তৃপক্ষক আহ্বান জনায়।

ৰাজ্যৰ চিকিৎসা খণ্ডৰ বিকাশ সাধনৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰৰ চাৰে চৰি বছৰীয়া শাসন কালতৰাজ্যখনত ৮ খন চিকিৎসা মহাবিদ্যালয়, ১৮ খন কৰ্কট চিকিৎসালয়, গুৱাহাটীত এইমছ আৰু অভিলেখ সংখ্যক নাৰ্চিং প্ৰতিষ্ঠান স্থাপন কৰা হৈছে যাতে স্বাস্থ্যসেৱাৰ গুণগত মান অধিক বৃদ্ধি কৰিব পৰা যায়। তেওঁ লগতে কয় যে স্বাস্থ্য প্ৰতিষ্ঠানসমূহ স্থাপনৰ জৰিয়তে অসমৰ জনসাধাৰণে যাতে সহজে স্বাস্থ্যসেৱাৰ সুবিধা লাভ কৰিব পাৰে তাক সুনিশ্চিত কৰিব বিচাৰিছে। মুখ্যমন্ত্ৰীয়ে অ'এনজিচিক ইয়াৰ জনমুখী সেৱাৰ বাবে ধন্যবাদ জ্ঞাপন কৰি ৰাজ্যখনৰ জনসাধাৰণ লভান্বিত হ'ব পৰাকৈ আৰু অধিক কল্যাণকামী পদক্ষেপ গ্ৰহণ কৰিবলৈও আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে চিকিৎসালয়খনৰ সম্প্ৰসাৰিত নিৰ্মাণৰত ভৱনৰো আজি পৰিদৰ্শন কৰে।

চ্যু-কা-ফা হাস্পতালৰ মুখ্য কাৰ্যবাহী বিষয়া ডাঃ প্ৰকাশ কুলনুৰকাৰে আদৰণী ভাষণ দিয়া আজিৰ এই অনুষ্ঠানত সাংসদ তপন কুমাৰ গগৈ, বিধায়ক কুশল দুৱৰী, অ' এন জি চিৰ কাৰ্যবাহী সঞ্চালক পুণিত চুৰী আৰু অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**সুঃদঃ / ছৈ ঃ হাঃ**
**২৯/০১/২০২১**